# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

### মঙ্গলবাৰ, ২৪ মাৰ্চ, ২০২০

**বিত্ত, ৰূপান্তৰ আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা (উচ্চ, মাধ্যমিক আৰু প্ৰাথমিক), গড়কাপ্তানি, কৃষি, উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ, পশুপালন আৰু পশু চিকিৎসা, নগৰ আৰু গ্ৰাম্য পৰিকল্পনা, শক্তি (স্বতন্ত্ৰ দায়িত্ব), নগৰ উন্নয়ন (নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বাদ দি) (স্বতন্ত্ৰ দায়িত্ব)।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* **মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ আঁচনিৰ ধন।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ আঁচনিৰ জৰিয়তে সৰুক্ষেত্ৰী সমষ্টিৰ কোন কোন বিদ্যালয়ত কিমান টকা মঞ্জুৰী দিয়া হৈছে? সেই তালিকা দিব।

(খ) মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আঁচনিৰ জৰিয়তে সৰুক্ষেত্ৰী সমষ্টিৰ পশ্চিম পাকা আজাদ মেমোৰিয়েল হাইস্কুল খেলপথাৰ উন্নয়নৰ বাবে মুঠ কিমান টকা ইতিমধ্যে মুকলি কৰা হৈছে? মুকলি কৰি দিয়া টকাখিনি বিদ্যালয়ৰ কোনটো একাউন্টত দিয়া হৈছিল? একাউন্ট নম্বৰটো দিব। এই একাউন্টটো যুটীয়াভাৱে নে প্ৰধান শিক্ষকে অকলে লেনদেন কৰে? যদি প্ৰধান শিক্ষকে অকলে লেনদেন কৰে, সেয়া বৈধ নে? যদি অবৈধ, তেন্তে চৰকাৰে এইবিষয়ে কিবা তদন্ত কৰি বিহিত ব্যৱস্থা লৈছেনে? যদি লোৱা নাই, কেতিয়া ব্যৱস্থা ল'ব?

*বিষয় ঃ* **ডুমডুমা নগৰৰ পানী যোগান আঁচনি**

শ্ৰীদুৰ্গা ভূমিজ ঃ

২৩০। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ ডুমডুমা নগৰ (২ নং মণ্ডল)ত পানী যোগান আঁচনিখন আজি ৩০ বছৰতকৈও অধিককাল বিকল হৈ আছে, ফলস্বৰূপে ডুমডুমা নগৰৰ ৰাইজে আজিও বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত। এইবিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে চৰকাৰে আজিলৈকে উক্ত আঁচনিখন কিয় কাৰ্য্যক্ষম কৰি তোলা নাই? তদুপৰি হেজাৰ হেজাৰ পাইপ এনেয়ে পৰি থকা দৃষ্টিগোচৰ হৈছে। কি কাৰণত পাইপসমূহ এনেদৰে ৰাখি থোৱা হৈছে? এই পাইপসমূহ ব্যৱহাৰ হ'বনে?

(গ) এই আঁচনিৰ চোৱা-চিতা কৰিবলৈ চৰকাৰী কৰ্মচাৰী নিয়োগ কৰা হৈছেনে? যদি হৈছে, তেন্তে তেখেতসকলৰ নাম, পদৱী আদি তথ্য দাখিল কৰিব।

(ঘ) উক্ত পানী যোগান আঁচনিৰ পৰা বিশুদ্ধ খোৱাপানী ৰাইজে কেতিয়ালৈ পাব?

*বিষয় ঃ* **সোণতলী আঞ্চলিক কলেজৰ DDO অনুমোদন।**

শ্ৰীমতী নন্দিতা দাস ঃ

২৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত সোণতলী আঞ্চলিক কলেজৰ DDOৰ কাৰ্যকালৰ ম্যাদ যোৱা ইং ৩০-১১-২০১৯ তাৰিখে উকলি যোৱাৰ পিচতো GB য়ে প্ৰস্তাৱ নিদিয়াকৈ DDO ই ভুৱা প্ৰস্তাৱেৰে আবেদন জনোৱা উক্ত প্ৰস্তাৱটো Verify নোহোৱাকৈ উৰ্দ্ধতম কৰ্তৃপক্ষই কেনেকৈ DDO জনৰ কাৰ্য্যকাল বৃদ্ধিৰ অনুমোদন দিলে?

(খ) যোৱা ১৩-০১-২০২০ তাৰিখে কলেজখনত নতুনকৈ DDOৰ নাম অনুমোদনৰ বাবে GB য়ে উৰ্দ্ধতম কৰ্তৃপক্ষক আবেদন জনোৱাৰ পিচতো আজিলৈকে কিয় DDOৰ নাম অনুমোদন দিয়া নাই?

*বিষয় ঃ* **সহকাৰী অধ্যাপক নিযুক্তিৰ উৰ্দ্ধসীমা**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ নিয়মাৱলীমৰ্মে সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ বয়সৰ কোনো উৰ্দ্ধসীমা নাই, এইবিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেনেক্ষেত্ৰত অসম চৰকাৰে বয়সৰ উৰ্দ্ধসীমা ৩৮ বছৰ নিৰ্দ্ধাৰণ কৰি যোগ্য প্ৰাৰ্থীসকলক আবেদন কৰাৰ পৰা বঞ্চিত কৰাৰ কাৰণ কি?

(গ) এখন কলেজৰ সহকাৰী অধ্যাপক পদৰ বাবে UGC য়ে নিৰ্দ্ধাৰণ কৰি দিয়া নিয়ম অনুসৰি নেট আৰু Ph.D আহৰণ কৰোতে এজন প্ৰাৰ্থীৰ বয়স ৩৫ বছৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বয়সৰ উৰ্দ্ধসীমা বৃদ্ধিৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি ১০ (দহ) বছৰত অসমত সীমিতসংখ্যক সহকাৰী অধ্যাপক নিযুক্তি দিয়াৰ পিচতো বয়সৰ উৰ্দ্ধসীমা নিৰ্দ্ধাৰণ কৰাতো UGCৰ নীতিৰ পৰিপন্থী হোৱা নাইনে?

*বিষয় ঃ* **বৈদ্যুতিক সংযোগ সন্দৰ্ভত**

শ্ৰীবিনোদ হাজৰিকা ঃ

২৩৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পণ্ডিত দীনদয়াল উপাধ্যায় গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি আৰু সৌভাগ্য জ্যোতি আঁচনিৰ যোগেদি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত কিমান গাঁও আৰু চাহ বাগিচা সামৰি লোৱা হৈছে? তালিকাসহ জনাব।

(খ) বাকী ৰৈ যোৱা গাঁও আৰু বাগিচাসমূহৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব? বিতংকৈ জনাব।

*বিষয় ঃ* **PMKISAN আঁচনি**

শ্ৰীনজৰুল হক ঃ

২৩৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনি (PMKISAN)ৰ ধুবুৰী বিধান সভা সমষ্টিত কিমানজন হিতাধিকাৰী বাচনি কৰা হৈছে? হিতাধিকাৰীসকলে উক্ত আঁচনিৰ ধন বৰ্তমানে পাইছেনে? যদি পোৱা নাই, কাৰণ কি?

(খ) মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ধুবুৰী জিলাত কিমানখন গাঁৱত এতিয়ালৈকে কিমান ট্ৰেক্টৰ বিতৰণ কৰা হ'ল আৰু কিমানখন গাঁও বাকী আছে? বাকী থকা গাঁওসমূহত কেতিয়ালৈ বিতৰণ কৰিব?

(গ) ধুবুৰী জিলাত বৰ্তমানলৈকে কিমানটা কৃষি উন্নয়ন বিষয়া (ADO) আৰু কৃষি সম্প্ৰসাৰণ সহায়ক পদ খালী হৈ আছে? উক্ত খালী পদসমূহ কেতিয়ালৈ পূৰণ কৰিব?

(ঘ) মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোগানৰ অধীনত ২৩ নং ধুবুৰী বিধান সভা সমষ্টিত ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাবে কিমানজন হিতাধিকাৰী বাচনি কৰা হৈছে? হিতাধিকাৰীসকলে আঁচনিৰ ধন পাইছেনে? যদি পোৱা নাই, তাৰ কাৰণ কি?

*বিষয় ঃ* **মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

২৩৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ৪ বছৰত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ বিভিন্ন আঁচনি যেনে পশুপালন, জৈৱিক কৃষি, দুগ্ধ উৎপাদন, ট্ৰেক্টৰ যোগান, মৎস্য উৎপাদন আদিৰ অধীনত বৰ্তমানে কিমানখন গাঁৱত কাম-কাজ কৰা হৈছে?

(খ) প্ৰতিখন ৰাজহ গাঁৱৰ বাবে ১ কোটি ২০ লাখ টকাকৈ নিৰ্দ্ধাৰিত পুঁজিৰ বৰ্তমানলৈকে কোন কোন গাঁৱত কিমান শতাংশকৈ ব্যয় কৰি কোনসমূহ প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে? জিলা ভিত্তিক তথ্য দিব।

*Sub.* : **Roads data**

Shri RUPJYOTI KURMI :

236. Will the Minister of PWD be pleased to state :

(a) Does the Government have any data of the newly constructed road under different heads of the State ?

(b) If yes, please furnish details from the year 2016-17 to 2019-20.

*বিষয় ঃ* **পথ নিৰ্মাণৰ অগ্ৰগতিৰ খতিয়ান**

শ্ৰীনিজানুৰ ৰহমান ঃ

২৩৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ গড়কাপ্তানি বিভাগৰ অধীনত ২৪ নং গৌৰীপুৰ বিধান সভা সমষ্টিত উক্ত বিভাগে 5th State Finance Commission ৰ অধীনত কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) আঁচনিসমূহৰ ভিতৰত কিমানটা আঁচনি ৰূপায়ণ কৰা হ'ল আৰু কি কি আঁচনিৰ কাম চলি আছে?

(কামৰ অগ্ৰগতিৰ খতিয়ান সদনত দাখিল কৰিব)

(গ) দেৱীটোলা Pt-IIIৰ পৰা দক্ষিণ শান্তিপুৰ ভায়া লালঘাটৰ পথটোৰ নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতি কিমান? কিমান দিনৰ ভিতৰত পথটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব?

(অগ্ৰগতিৰ খতিয়ান সদনৰ মজিয়াত দাখিল কৰিব)

*Sub.* : **Post-Mortem Exmination**

Dr. MOTIUR ROHMAN MONDAL :

238. Will the Minister of health & Family Welfare be pleased to state :

(a) Is the Government aware that post-mortem examination of human bodies dying due to unnatural causes, are not available in Mankachar LAC ?

(b) Since Civil Hospital, CHC's and Block PHC's with competent serving doctors are available why 'Dead Bodies' need to be sent to Dhubri Civil Hospital for post-mortem examination, facing much hardship and consumption of prolonged time ?

(c) Will the Government arrange for PM examination at Hatsingimari SDCH (recently upgraded to District Civil Hospital) to ease PM ?

(d) Will the Government take urgent and useful make-shift arrangement for PM ?

*বিষয় ঃ* **পৌৰসভাৰ সংখ্যা**

শ্ৰীগুৰুজ্যোতি দাস ঃ

২৩৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন পৌৰসভা আছে, জিলা ভিত্তিত তালিকাসহ বিতং তথ্য জনাব।

(খ) দৰং জিলাত মঙ্গলদৈ পৌৰসভাৰ জৰিয়তে ইং ২০১৫-১৬ চনৰ পৰা ২০১৯-২ চনলৈকে কিমানটা বাণিজ্যিক কোঠা ব্যৱসায় বাবে আবণ্টন দিলে, তালিকাসহ বিতং তথ্য জনাব।

(গ) মঙ্গলদৈ পৌৰসভাৰ অন্তৰ্গত ইঞ্জিনবাবাৰ আশে-পাশে কাৰোবাক ভূমি লিজ দিয়া হৈছে নেকি? যদি হৈছে, তেনেহ'লে ২০১ ১৬ চনৰ পৰা বৰ্তমানলৈ কিমান পৰিমাণৰ ৰাজ সংগ্ৰহ হৈছে আৰু কিমান টকা কি কি শিতান খৰচ হৈছে, সমূহ তথ্যৰ তালিকা চন অনুযায়ী সদনৰ মেজত দাখিল কৰিব।

*বিষয়* ঃ **অ-প্রাদেশীকৃত বিদ্যালয়গুলোর প্রাদেশীকরণের একটি ভিন্ন প্রস্তাব, মালেগড়।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২৪০। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) রাজ্যের প্রতিটি জেলায় অ-প্রাদেশীকৃত বিদ্যালয়গুলোর শিক্ষার গুণগত মান উন্নীতকরণের লক্ষ্যে প্রতি জেলায় অ-প্রাদেশীকৃত বিদ্যালয়গুলোর মধ্যে ছাত্রদের পরীক্ষা ফলাফলের ভিত্তিতে সবচাইতে ভাল অ-প্রাদেশীকৃত বিদ্যালয়কে প্রতিবছর প্রাদেশীকৰণ করার কোনো পরিকল্পনা গ্রহণে সরকার ইচ্ছুক কি? এতে শিক্ষার গুণগত মান বৃদ্ধিতে স্বাস্থ্যকর প্রতিযোগিতা আনয়ন সম্ভব বলে সরকার মনে করে কি?

(খ) ১৮৫৭ এর মহাবিদ্রোহের ইতিহাস বিজড়িত মালেগড় টিলাটিকে বিগতদিনে রাজ্য ও কেন্দ্রীয় সরকারের উদ্যোগে পর্যটন কেন্দ্ররূপে গঠন করা হয়েছে। এই পর্যটন কেন্দ্রটি গৌরবময় ইতিহাস জাতীয়স্তরে উপস্থাপনের প্রয়োজনে এই মালেগড় টিলায় ১৮৫৭ র মহাবিদ্রোহের ইতিহাস SCERT এবং NCERT র পাঠ্যপুস্তকে মাধ্যমিকস্তরের পাঠ্য হিসেবে অন্তর্ভুক্ত করার জন্য সরকার কোনো সদর্থক পদক্ষেপ গ্রহণ করবে কি?

*বিষয়* ঃ **আন্তঃগাঁথনি আৰু পদ পূৰণ**

শ্রীচাহাব উদ্দিন আহমেদ ঃ

২৪১। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ বিধান সভা সমষ্টিৰ ধুবুৰী জিলাৰ অন্তৰ্গত চিৰাকুটী ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসালয়খন কিমান চনত স্থাপিত হৈছিল আৰু বৰ্তমান পশু চিকিৎসালয়খনৰ আন্তঃগাঁথনি যেনে— Hospital Bulding, Doctor Quarter, VFA আৰু IV Grade আদি কৰি বিষয়া কৰ্মচাৰীৰ Quarter আছেনে?

(সদনত তথ্য সহকাৰে জনাব)

(খ) বৰ্তমান উক্ত চিকিৎসালয়খনত কিমানগৰাকী বিষয়া-কৰ্মচাৰী কৰ্তব্যৰত অৱস্থাত আছে?

(পদ অনুসাৰে সংখ্যা সদনত দাখিল কৰিব)

(গ) গোৱালপাৰা জিলাৰ অন্তৰ্গত জলেশ্বৰ বিধান সভা সমষ্টিৰ চাটাইমাৰী অঞ্চলত অৱস্থিত A. H. & Veterinary Sub-Centre ত কিমানগৰাকী বিষয়া-কৰ্মচাৰী কৰ্তব্যৰত অৱস্থাত আছে? লগতে আন্তঃগাঁথনি পৰ্যাপ্ত পৰিমাণে আছেনে?

(তথ্যসহ সদনত জনাব)

*বিষয়* ঃ **বিদ্যালয় প্ৰাদেশিকীকৰণ আৰু শিক্ষক নিযুক্তি।**

শ্রীতেৰছ গোৱালা ঃ

২৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জিলা ভিত্তিত ৰাজ্যৰ কিমানখন প্ৰাথমিক/মাধ্যমিক ভেন্সাৰ বিদ্যালয় প্ৰাদেশিকীকৰণৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে আৰু এই কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব?

(খ) জিলা ভিত্তিত ৰাজ্যৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ত খালী হৈ থকা শিক্ষকৰ পদসমূহত নিযুক্তিৰ বাবে চৰকাৰে কিবা পদক্ষেপ

গ্ৰহণ কৰিছেনে? যদি কৰিছে, নিযুক্তি প্ৰক্ৰিয়া কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব?

(গ) জিলা ভিত্তিত ৰাজ্য চৰকাৰৰ আৰ্থিক সাহায্য লাভ কৰা ভেন্সাৰ বিদ্যালয়সমূহলৈ পুঁজি কেতিয়া মুকলি কৰি দিয়া হ'ব?

(ঘ) অসম চৰকাৰে দেউৰী ভাষাৰ শিক্ষক প্ৰাথমিক/মাধ্যমিক বিদ্যালয়ত ২০০৫ চনৰ পৰা নিযুক্তি দিয়া হৈছে নেকি?

(ঙ) যদি হৈছে, জিলা ভিত্তিত দেউৰী ভাষা শিক্ষক নিযুক্তিৰ খতিয়ান দাখিল কৰিবনে?

(চ) যদি নাই হোৱা, তেন্তে চৰকাৰে কিমান দিনৰ ভিতৰত দেউৰী ভাষাৰ শিক্ষক নিযুক্তি দিব?

*বিষয় ঃ* **রাজ্যের সরকারী বিদ্যালয়**

শ্ৰীদিলীপ কুমার পাল ঃ

২৪৩। মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) আসামে সৰ্বমোট কতগুলো সরকার পরিচালিত প্ৰাথমিক বিদ্যালয়, এম ই স্কুল, হাইস্কুল এবং হায়ার সেকেন্দারী স্কুল আছে, জেলা ভিত্তিক সংখ্যা জানাবে।

(খ) সেই সমস্ত বিদ্যালয়গুলোতে কত জন বিদ্যাৰ্থী বৰ্তমানে অধ্যয়নরত জেলা ভিত্তিক সেই সংখ্যা সদনে পেশ করবে।

(গ) সেই সমস্ত বিদ্যালয়গুলোতে (অৰ্থাৎ LP, ME, HS এবং HSS) আলাদা আলাদা ভাৱে কতজন শিক্ষক/শিক্ষিকা পাঠদানে রত আছেন, জেলা ভিত্তিক তার হিসাব পেশ করবে।

*বিষয় ঃ* **স্বাস্থ্য কেন্দ্ৰ আৰু ইয়াৰ খালী পদৰ তালিকা।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৪৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুক্ষেত্ৰী সমষ্টিত কিমানখন বিভিন্ন প্ৰকাৰৰ চৰকাৰী চিকিৎসা কেন্দ্ৰ আছে? কেন্দ্ৰসমূহৰ নাম আৰু স্থানসহ তালিকা দিব। এই চিকিৎসা কেন্দ্ৰসমূহত কোন কোন চিকিৎসক আৰু বিভিন্ন ধৰণৰ কৰ্মচাৰী আছে, নামসহ তালিকা দিব।

(খ) সৰুক্ষেত্ৰী সমষ্টিৰ বিভিন্ন চিকিৎসা কেন্দ্ৰৰ কোন কোন কেন্দ্ৰত কি কি পদ খালী আছে? কেন্দ্ৰসহ তালিকা দিব। এই খালী পদসমূহ কেতিয়া চৰকাৰে পূৰণ কৰিব।

(গ) জনসংখ্যা অনুপাতে সৰুক্ষেত্ৰী সমষ্টিত যে চিকিৎসা কেন্দ্ৰৰ অভাৱ এই কথাটো চৰকাৰ অৱগতনে? যদি অৱগত, তেন্তে চৰকাৰে ক'ত ক'ত নতুনকৈ কেন্দ্ৰ স্থাপন কৰাৰ পৰিকল্পনা লৈছে?

(ঘ) সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক ত্ৰিশখন বিছনাযুক্ত কৰাৰ কিবা পৰিকল্পনা আছেনে? যদি আছে, কেতিয়া কৰিব? সৰুক্ষেত্ৰী সমষ্টিৰ ভক্তৰডবা আদৰ্শ চিকিৎসালয়ত ২৪ ঘণ্টা আৰু নৈশ সেৱা কেতিয়া আৰম্ভ কৰিব?

*বিষয় ঃ* **কৃষ্ণাই কৃষিপাম, গোৱালপাৰা**

শ্ৰীদীপক কুমাৰ ৰাভা ঃ

২৪৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত কৃষ্ণাই কৃষি পামখনৰ কিছু মাটি অবৈধ বেদখলকাৰীৰ কৱলত থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, কিমান পৰিমাণৰ মাটি বেদখলকাৰীৰ কৱলত আছে?

(বেদখলকাৰীৰ তথ্য সহকাৰে জনাব)

(গ) অবৈধ বেদকলকাৰীক উচ্ছেদৰ বাবে কেনেধৰণৰ ব্যৱস্থা লোৱা হৈছে?

(ঘ) কৃষিপামখন পুনৰুজ্জীৱিত কৰাৰ বাবে চৰকাৰে কেনেধৰণৰ ব্যৱস্থা লৈছে, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **দুৰামাৰী-মালিবাৰী Mini PHC**

শ্ৰীমতী নন্দিতা দাস ঃ

২৪৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ২০১৩ চনতে স্থাপিত হোৱা দুৰামাৰী-মালিবাৰী Mini PHC খনত Doctor আৰু Staff দিয়া হ'লনে? যদি হোৱা নাই, কিয় হোৱা নাই আৰু কেতিয়া হ'ব?

*বিষয় ঃ* **চাবুৱা নগৰ উন্নয়নৰ সন্দৰ্ভত**

শ্ৰীবিনোদ হাজৰিকা ঃ

২৪৭। মাননীয় নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বাৰিষাৰ সময়ত চাৰিটা ৱাৰ্ডেৰে গঠিত চাবুৱা নগৰখন কৃত্ৰিম বানেৰে ভৰি পৰে। এই কৃত্ৰিম বান ৰোধ কৰাৰ বাবে নগৰখনৰ আশে-পাশে থকা অঞ্চলসমূহত এক বিজ্ঞানসন্মত জৰীপ কৰি নলা-নৰ্দমা নিৰ্মাণ কৰাৰ প্ৰয়োজন আছে। সেয়েহে চৰকাৰে নগৰখনৰ উন্নয়নৰ স্বাৰ্থত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবনে? বিতংভাৱে জনাব।

*বিষয় ঃ* **Womens College Ramchandi**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

২৪৮। মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) LA-7 কাটলিছড়া সমষ্টির Ramchandi Model Women College স্থাপন এর জন্য জিলা প্রশাসনের পক্ষ হইতে জমি আবণ্টন ও হস্তান্তর করা সম্পর্কে সরকার অৱগত আছে কি?

(খ) যদি থাকে, তবে উক্ত College এর নির্মাণ কাজ শুরু করার জন্য সরকার তরপ থেকে কি কি পদক্ষেপ গ্রহণ করা হয়েছে এবং কবে নাগদ কাজের ভিত্তিপ্রস্থ স্থাপন করা হবে?

*বিষয় ঃ* **New P. H. C. নিৰ্মাণ**

শ্ৰীআমিনুল ইছলাম ঃ

২৪৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ অন্তৰ্গত জাৰামাৰী New P.H.C. খন নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হৈছে? উক্ত স্বাস্থ্য কেন্দ্ৰৰ বাবে নিযুক্তি দিয়া চিকিৎসক আৰু অন্যান্য কৰ্মচাৰীসকল বৰ্তমান ক'ত কৰ্মৰত হৈ আছে? উক্ত চিকিৎসালয়ত চিকিৎসা সেৱা কেতিয়া আৰম্ভ হ'ব?

(খ) মৈৰাবাৰী FRUত কি কি পদ খালী আছে আৰু খালী পদসমূহ কেতিয়া পূৰণ কৰা হ'ব?

(গ) দগাঁও ম'ডেল হাস্পতালৰ কাম কিমান আগবাঢ়িছে?

(বিত্তীয় আৰু ব্যৱহাৰিক অগ্ৰগতিৰ তথ্য দিব)

*বিষয় ঃ* **নগৰ উন্নয়নৰ আঁচনি ৰূপায়ণ**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

২৫০। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা ২০২০ চনৰ ফেব্ৰুৱাৰী মাহলৈ অসম চৰকাৰে অসমৰ নগৰ উন্নয়নৰ Urban Developmentৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিলে?

(খ) উক্ত সময়ছোৱাত গ্ৰহণ কৰা আঁচনিসমূহ ৰূপায়ণ কৰা হৈছেনে?

(গ) এনে আঁচনি ৰূপায়ণ কৰাৰ বাবে অসম চৰকাৰে উক্ত সময়ছোৱাত কিমান পৰিমাণৰ টকা বিত্ত বিভাগৰ পৰা লাভ কৰিলে? এনেভাৱে লাভ কৰা টকা কিমান খৰচ হ'ল আৰু কিমান খৰচ কৰিবলৈ বাকী আছে?

(বিত্তীয় বৰ্ষ অনুসৰি হিচাপ দিব)

(ঘ) উল্লেখিত সময়ছোৱাত উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান লাভ কৰিছেনে? যদি কৰিলে, কিমান পৰিমাণৰ টকা অনুদান হিচাবে লাভ কৰিছে?

(বিত্তীয় বৰ্ষ হিচাবত হিচাপ দিব)

*বিষয়* ঃ **মন্ত্ৰীৰ ভ্ৰমণৰ বাবদ হোৱা খৰচ**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

২৫১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰৰ কাৰ্য্যকালত মন্ত্ৰীসকলৰ ভ্ৰমণৰ বাবদ আৰু এনে আনুসাংগিক শিতানত ৰাজকোষৰ পৰা কিমান ব্যয় কৰিছে? বছৰ অনুসৰি প্ৰতিগৰাকী মন্ত্ৰীৰ ভ্ৰমণসূচী বিতংকৈ দাখিল কৰিব।

(খ) এই সময়ছোৱাত কোন কোন মন্ত্ৰীয়ে চাৰ্টাড প্লেনেৰে কেতিয়া কেতিয়া কোন স্থানলৈ কি কাৰণত ভ্ৰমণ কৰিছে আৰু এই ভ্ৰমণত কিমান পুঁজি খৰচ কৰা হৈছে, বিতং তথ্য জনাব।

(গ) চৰকাৰী নিয়ম অনুসৰি মুখ্যমন্ত্ৰীৰ বাহিৰে কোন কোন মন্ত্ৰীয়ে চাৰ্টাড প্লেন ব্যৱহাৰ কৰিব পাৰে? সংশ্লিষ্ট চৰকাৰী বিধিৰ প্ৰতিলিপি দিব।

*Sub.* : **Schemes under Animal Husbandry & Veterinary.**

Shri RUPJYOTI KURMI :

252. Will the Minister of Animal Husbandry & Veterinary be pleased to state :

(a) Is there any schemes under Animal Husbandry & Veterinary for the state of Assam ?

(b) If yes, please furnish detailed data of the schemes, fund allocation of the state from the year 2016-17 to 2019-20.

(c) Is the Government aware that there are incomplete building & non-functioning dispensary at Mariani ?

(d) If yes, will Government take step to complete the building & make them functioning ?

(e) If yes, by when ?

*Sub.* : **Barpeta-Baghbar road etc.**

Shri SHERMAN ALI AHMED :

253. Will the Minister of PWD be pleased to state :

(a) What are estimated and sanctioned cost of Barpeta-Baghbar road ? Please furnish a copy of DPR road ? Please furnish a copy of DPR alongwith BOQ (including modified one, if any).

(b) What is the formation-width and width of hard-surface of the said road ?

(c) Is it true that a Working Estimate, converting the formation-width from 12 m to 9 m in Mandia-Baghbar portion is being prepared ?

(গ) গুৱাহাটী মহানগৰৰ সোণাইঘূলি অঞ্চলৰ লখৰা সংযোগী হৰকান্ত ৰাভা পথ, দেউৰী জাতীয় মঞ্চ (সাংস্কৃতিক কেন্দ্ৰ) পথৰ পুৰণা বিদ্যুতৰ খুঁটাবোৰ সলনি কৰি নতুন খুঁটা স্থাপনৰ বাবে বিভাগীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে নেকি?

(ঘ) পথৰ মাজতে থকা বিদ্যুতৰ খুঁটাবোৰৰ আলম লৈ বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানে ৰাজপথৰ মাটি বেদখল কৰাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, বিদ্যুতৰ খুঁটাবোৰ পথৰ মাজৰ পৰা আতঁৰাই ৰাজপথ বেদখলমুক্ত কৰাৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰা হৈছে নেকি?

*বিষয়* ঃ **NFSM আঁচনি**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

২৫৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NFSM আঁচনিৰ দ্বাৰা অসমত কি কি খেতিৰ ব্যৱস্থা কৰা হৈছে?

(খ) এই আঁচনিৰ জৰিয়তে যোগান ধৰা বীজৰ দ্বাৰা কৃষকে কিমানখিনি উপকৃত হৈছে?

(গ) Hybrid Varieties আৰু High Yielding Varieties বীজৰ কৃষকে কোনটোৰ দ্বাৰা বেছি উপকৃত হৈছে?

(ঘ) P. M. কিষান আঁচনিত বিভিন্ন জিলাত কিমান হিতাধিকাৰী বাচনি কৰিছিল আৰু ইয়াৰ কিমান সংখ্যক প্ৰকৃত খেতিয়ক?

(ঙ) উক্ত আঁচনিত ভুৱা হিতাধিকাৰীৰ সংখ্যা কোনখন জিলাত কিমান?

(চ) ভুৱা হিতাধিকাৰীসকলৰ লগত জড়িত বিষয়া, কৰ্মচাৰীসকলৰ কিমানজনৰ বিৰুদ্ধে (জিলা ভিত্তিত) শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে?

(ছ) কৃষি বিভাগৰ বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰ খালী থকা পদৰ সংখ্যা কিমান? উক্ত পদ পূৰণৰ বাবে (কৃষকৰ উপকাৰ হোৱাকৈ) চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছেনে? যদি কৰা নাই, কেতিয়া কৰিব?

*বিষয়* ঃ **পশুপালন ফাৰ্মৰ সংখ্যা**

শ্ৰীকুশল দুৱৰী ঃ

২৫৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান সক্ৰিয় হৈ থকা চৰকাৰী পশুপালন ফাৰ্ম কিমান? ক'ত কি কি প্ৰকাৰৰ ফাৰ্ম আছে আৰু কিমান কিমান পৰিমাণৰ পশুধন আছে?

(খ) কণী, মাংস, গাখীৰৰ চাহিদা পূৰণৰ বাবে চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছে নেকি?

*বিষয়* ঃ **PMAY ৰ ঘৰ আবণ্টন**

শ্ৰীউৎপল দত্ত ঃ

২৫৮। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ পৌৰসভাৰ ৱাৰ্ডৰ সংখ্যা ১৪ টাৰ পৰা আৰু ৫ টা বৃদ্ধি কৰি সম্প্ৰসাৰণৰ প্ৰস্তাৱ চৰকাৰে লাভ কৰিছেনে? যদি প্ৰস্তাৱ লাভ কৰিছে, তেন্তে পৌৰ সভাখন সম্প্ৰসাৰণৰ প্ৰস্তাৱ কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব?

(খ) লখিমপুৰ পৌৰসভা এলেকাত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ অধীনত কিমান হিতাধিকাৰীক ঘৰ আবণ্টন দিয়া হৈছিল?
(ৱাৰ্ড অনুসৰি তথ্য দিব)

(গ) ঘৰ লাভ কৰা হিতাধিকাৰীৰ ভিতৰত কিমান হিতাধিকাৰীৰ ঘৰ সম্পূৰ্ণ হ'ল আৰু

কিমানৰ আধৰুৱা হৈ থাকিল? আধৰুৱা ঘৰৰ কাম কেতিয়াৰ ভিতৰত সম্পূৰ্ণ কৰিব?

(ৱাৰ্ড অনুসৰি তথ্য দিব)

(ঘ) বাদ পৰি যোৱাসকলৰ তালিকা বিচাৰিছিল নেকি? যদি তালিকা লাভ কৰিলে, তেন্তে তেওঁলোকে কেতিয়াৰ ভিতৰত ঘৰ লাভ কৰিব?

*বিষয় ঃ* **স্কুলৰ সংখ্যা**

শ্ৰীগুৰুজ্যোতি দাস ঃ

২৫৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান ৫০ গৰাকীতকৈ কম ছাত্ৰ-ছাত্ৰী থকা প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় কিমান আছে?

(তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) অসমত চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় কিমানখন আছে? এই বিদ্যালয়সমূহত নিযুক্ত কিমান শিক্ষকে বৰ্তমান কাম কৰি আছে আৰু কিমান শিক্ষকৰ পদ খালী আছে, জিলাভিত্তিত তথ্য জনাব।

(গ) ২০১৬ চনৰ পৰা ৰাজ্য চৰকাৰে শিক্ষা বিভাগৰ জৰিয়তে বিভিন্ন মহাবিদ্যালয়ত স্নাতক পৰ্য্যায়ত (কলা, বিজ্ঞান, বাণিজ্য) ইত্যাদি শাখাত কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নাম ভৰ্ত্তি কৰালে, জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব।

(ঘ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ কিমানজন ছাত্ৰ-ছাত্ৰীক ৰাজ্য চৰকাৰৰ জৰিয়তে ৰাজ্যৰ বাহিৰলৈ অধ্যয়নৰ বাবে পঠিওৱা হ'ল, চন উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব।

(ঙ) বৰ্তমান ৰাজ্যখনত কিমান গৰাকী মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী Deputationত B. Ed. পাঠ্যক্ৰমৰ প্ৰশিক্ষণ লৈ আছে, জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব।

*বিষয় ঃ* **বাজেটে দেওয়া প্ৰতিশ্ৰুতি**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

২৬০। মাননীয় বিত্ত বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) রাজ্যের কোন কোন বছরের বাজেটে বরাক উপত্যকার জন্য মিনি স্যাক্রেটারিয়েট ও শহিদ স্মারক বানানোর উল্লেখ রয়েছে? এই দুইটি প্রকল্প বাস্তবায়নে কত কত অর্থরাশি মঞ্জুর হয়েছে? প্রকল্পদুটি কবে শুরুহয়েছে? প্রকল্পদুটি কবে সম্পূর্ণ হবে? বিস্তারিত সদনে জনাবেন।

(খ) বিগত বাজেটে করিমগঞ্জের জন্য মেডিক্যাল কলেজ বানানোর প্রস্তাব ছিল কি? থাকলে এই প্রকল্পের অগ্রগতি কতটুকু? কবে এই মেডিক্যাল কলেজ শুরু হবে?

*বিষয় ঃ* **চাহ বাগিচাত হাইস্কুল স্থাপন**

শ্ৰীদুৰ্গা ভূমিজ ঃ

২৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ বাগিচাত ১০০ খন হাইস্কুল স্থাপন কৰাৰ চৰকাৰৰ সিদ্ধান্ত কাৰ্য্যকৰী হ'বনে?

(খ) ইয়াৰ বাবে চৰকাৰে বাজেটত কিমান ধন ধাৰ্য্য কৰিছে?

(গ) চাহ বাগিচা এলেকাত মহাবিদ্যালয় স্থাপন কৰাৰ বাবে চৰকাৰৰ কোনো সিদ্ধান্ত আছে নেকি?

(ঘ) চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি?

*বিষয় ঃ* **কৃষি, সম্পৰ্কীয় বিভাগ**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২৬২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কৃষিৰ লগত সম্পৰ্ক থকা কিমানটা বিভাগ আছে?

(খ) ভূমি সংৰক্ষণ বিভাগ আৰু জলসিঞ্চন বিভাগ কৃষি বিভাগৰ লগত সম্পৰ্ক থকা বিভাগনে? যদি সম্পৰ্ক থকা বিভাগ হয়, তেন্তে এই বিভাগসমূহক একত্ৰিকৰণ কৰি কৃষি বিভাগৰ অধীনত আনি কৃষক ৰাইজৰ উপকাৰ কৰা নাযাব নেকি আৰু যদি একত্ৰিকৰণ কৰিব, কেতিয়া?

*বিষয় ঃ* **শৌচালয় নিৰ্মাণ (স্বচ্ছ ভাৰত মিশন-আৰবান)।**

শ্ৰীদিলীপ কুমাৰ পাল ঃ

২৬৩। মাননীয় নগর উন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) ভারত সরকারের স্বচ্ছ ভারত মিশন (URBAN) যোজনায় শিলচর পৌরসভার মাধ্যমে "Individual Home Hold Latrine" প্রকল্পে গত তিন বছরে অর্থাৎ 2017-2018, 2018-19, 2019-29th Feb 2020 ইংরাজীতে শিলচর শহরের ২৮ টি ওয়ার্ডে মোট কতগুলো শৌচালয় তৈরী করা হয়েছে তার বছর ভিত্তিক হিসাব সদনে পেশ করবে।

(খ) উক্ত সময়কালে তৈরী শৌচালয়ের ওয়ার্ড ভিত্তিক এবং বছর ভিত্তিক প্রত্যেক হিতাধীকারীদের নাম, পূর্ণ ঠিকানা এবং প্রতিটি কাজের পূর্ণ ফটোগ্রাফসহ সম্পূর্ণ তালিকা সদনে পেশ করবে।

(গ) উক্ত যোজনায় মোট কত টাকা বরাদ্ধ হয়েছিলো এবং মোট কত টাকা খরচ হয়েছে?

(ঘ) উক্ত শৌচালয় নির্মাণের জন্য কোনও NGO বা ঠিকাদারকে দায়িত্ব দেওয়া হয়েছিলো কি?

(ঙ) যদি দেওয়া হয়ে থাকে, তবে সেই সংস্থাগুলোর মালিকের নামসহ সম্পূর্ণ ঠিকানা ইত্যাদি পেশ করবে।

*বিষয় ঃ* **দুগ্ধপাম পুনৰুজ্জীৱিতকৰণ**

শ্ৰীদীপক কুমাৰ ৰাভা ঃ

২৬৪। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ দুধনৈস্থিত মৃত দুগ্ধপামখন পুনৰুজ্জীৱিত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছেনে?

(খ) যদি কোনো ব্যৱস্থা লোৱা নাই, তেন্তে কিয় লোৱা নাই?

(গ) যদি পুনৰুজ্জীৱিত কৰাৰ ব্যৱস্থা লোৱা হৈছে, কেনেধৰণৰ পদক্ষেপ লোৱা হৈছে বিতংকৈ জনাব।

*বিষয় ঃ* **গোহালকোনা Mini PHC**

শ্ৰীমতী নন্দিতা দাস ঃ

২৬৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত গোহালকোনা Mini PHC খন নিৰ্মাণৰ কাম আৰম্ভ হ'লনে?

(খ) যদি হোৱা নাই, কিয় হোৱা নাই আৰু কেতিয়া হ'ব?

*বিষয় ঃ* **মৈৰাবাৰী চহৰ**

শ্ৰীআমিনুল ইছলাম ঃ

২৬৬। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ অন্তৰ্গত মৈৰাবাৰী চহৰখন এতিয়ালৈকে গাঁও পঞ্চায়ত হিচাপে চিনাক্ত হৈ থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) মৈৰাবাৰীক নগৰ সমিতিলৈ উন্নীত কৰাৰ কাৰণে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছেনে? যদি কৰিছে, তেনেহ'লে এই সম্পৰ্কীয় অগ্ৰগতিৰ তথ্য দিব।

(গ) কিমান দিনৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিব পৰা যাব?

*বিষয় ঃ* **ব্যক্তিগত খণ্ডৰ বেংকত জমা ৰখা চৰকাৰী পুঁজি।**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

২৬৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ কোন কোন বিভাগে ব্যক্তিগত খণ্ডৰ কোন কোন বেংকত টকা ৰাখিছে?

(খ) অসম চৰকাৰৰ বিভিন্ন বিভাগে ব্যক্তিগত খণ্ডৰ বেংকত ৰখা টকা কাৰেন্ট একাউন্টত কিমান ৰাখিছে আৰু চেভিংচ একাউন্টত কিমান ৰাখিছে? বিভাগ, টকাৰ পৰিমাণ আৰু বেংকৰ বিতং তালিকা দিব।

(গ) হস্তত াঁত, বস্ত্ৰ বিভাগৰ টকা ব্যক্তিগত খণ্ডৰ বেংকত ৰখাটো সঁচা নেকি?

(ঘ) Assam Cooperative Apex Bankৰ টকা Yes Bankত ৰখাটো সঁচা নেকি?

(ঙ) অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহে চৰকাৰী পুঁজি চৰকাৰৰ অনুমোদন সাপেক্ষে ব্যক্তিগত খণ্ডৰ বেংকত জমা থৈছে নে অনুমোদন নোহোৱাকৈ জমা থৈছে? যি চৰকাৰী নথি-পত্ৰৰ ভিত্তিত এনে চৰকাৰী ধন ব্যক্তিগত খণ্ডৰ বেংকত থোৱা হৈছে, তাৰ বিতং তথ্য দিব।

*Sub.* : **Women's Colleges in minority areas etc.**

Shri SHERMAN ALI AHMED :

268. Will the Minister of Education be pleased to state :

(a) Is it true that sanction of 12 no. of women's colleges in minority areas were declared in Budget Speech/ Governor's Speech since 2016-17 to 2018-19 ?

(b) What are the locations for establishment of these women's colleges ?

(c) What is the present status of establishment of the women colleges ? Please furnish details.

(d) Is it true that misappropriation of fund in construction of digital classroom/library happened in Luitporia College ?

(e) If yes, whether proper enquiry has been conducted ? Please furnish details.

(f) Without proper enquiry and punitive measures against the guilty, why further construction has been allowed ?

(g) Is it true that the DDO of the college has been kept out of the construction committee ? Please furnish a copy of construction committee.

(h) Is is true that Hon'ble High Court in its judgement on 01-11-2019 in WP(C) 7900/2019 directed Government to transfer Jesminara Begum within 2 months ? If yes, whether the court order was implemented ?

*Sub.*: **SMDC and GB**

SHRI ABDUR RASHID MANDAL :

269. Will the Minister of Education be pleased to state :

(a) Will the Government furnish the guidelines about formation of SMDC of High School/High Madrassa and Governing Body of College?

(b) Will the Government furnish the procedures followed to constitute or reconstitute the SMDC of Aolatoli High Madrassa, Aolatoli, the Governing Bodies of Lakhipur College, Lakhipur and West Goalpara College, Ambari ?

(c) Why the charge of President of SMDC of Aolatoli High Madrassa is given to the IS, GDC, Goalpara? Whether any eligible person will be nominated or not as President of the said SMDC as per guidelines ? If yes, when ?

(d) Why the Principal i/c, West Goalpara College, Ambari is not empowered as DDO and why the Principal i/c, Lakhipur College, Lakhipur is empowered as DDO?

(e) When the Government will appoint full fledged regular Principal in the above 2 (two) colleges?

(f) Is there any role of local MLA in the formation of SMDC and Governing Body in his represented constituency?

*বিষয় ঃ* **রাস্তা এবং সেতু**

শ্রীসুজাম উদ্দিন লস্কর ঃ

২৭০। মাননীয় গড়কাপ্তানি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার LA-7 Katlicherra সমষ্টির লালাছড়াতে ঔভয়দিকে PMGSY সড়কের সংযুক্তি করনের জন্য কাটাখাল নদীর ওপর একটি বৃহৎ সেতু নির্মানের প্রয়োজনীয়তা এবং গন দাবী সম্পর্কে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে উক্ত নদীর উপর সেতু নির্মাণ কবে নাগাদ আরম্ভ করা হইবে।

(গ) LA-7 কাটলিছেড়া সমষ্টির ডামছড়া (Damcherra) তে PMGSY এর অধীনে (Package No-As-09-30) রাস্তাটি অর্ধনির্মিত অবস্থায় ফেলে রাখার তথ্য সরকারের নিকট আছে কি?

(ঘ) যদি থাকে, তবে উক্ত রাস্তা সম্পূর্ণ করার কোন পরিকল্পনা সরকারের আছে কি?

*বিষয় ঃ* **গোলোকগঞ্জ উপ-কোষাগাৰ**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

২৭১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

গোলোকগঞ্জ উপ-কোষাগাৰ (Sub Treasury) টো কাৰ্য্যক্ষম কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লৈছেনে? যদি লৈছে, কেতিয়াৰ পৰা কাৰ্য্যক্ষম হ'ব ?

*বিষয় ঃ* **বিত্তীয় আবণ্টন**

শ্ৰীকুশল দুৱৰী ঃ

২৭২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম চৰকাৰে গড়কাপ্তানি বিভাগৰ বিত্তীয় আৱণ্টন দিয়াৰ বহুত পিছতো নিবিদা আহ্বান নকৰাৰ কাৰণ কি? ঠিকাদাৰে ঠিকাৰ আবণ্টন পোৱাৰ পিছতো কাম আধাতে সামৰি অন্য কাম কৰি থাকে। একেজন ঠিকাদাৰকে একাধিক কাম আবণ্টন দি থকাৰ কাৰণ কি?

*বিষয় ঃ* **আদৰ্শ গাঁও নিৰ্মাণ**

শ্ৰীউৎপল দত্ত ঃ

২৭৩। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ প্ৰতিটো সমষ্টিতে কিমানখনকৈ গাঁৱক আদৰ্শ গাঁৱলৈ ৰূপ দিয়াৰ আঁচনি গ্ৰহণ কৰা হৈছিল আৰু আঁচনি অনুসৰি কি কি গাঁও আদৰ্শৰূপে গঢ় দিয়া হ'ল?

(সমষ্টি ভিত্তিত তথ্য দিব)

(খ) আদৰ্শ গাঁৱত পৰিণত কৰাৰ লক্ষ্যত কি কি ব্যৱস্থা গাঁওখনত কৰা হৈছিল?

(গ) লখিমপুৰ সমষ্টিৰ পৰা কোন কেইখন গাঁৱক আদৰ্শ গাঁওৰূপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ লাভ কৰিছিল আৰু এই গাঁওসমূহ আদৰ্শ গাঁৱত পৰিণত কৰা হ'লনে? যদি নাই, তেন্তে কেতিয়াৰ ভিতৰত উক্ত লক্ষ্যত উপনীত হ'ব?

*Sub.* : **New appointment**

Shri RUPJYOTI KURMI :

274. Will the Minister of Finance be pleased to state :

(a) Has Government approved Financial Sanction for new appointment under any Department?

(b) If yes, please furnish detailed data of the post, salary allocation department-wise from the year 2016-17 to 2019-20?

*বিষয় ঃ* **বরাকে কৃষি বিশ্ববিদ্যালয় স্থাপন**

শ্ৰীকমলাক্ষ দে পুরকায়স্থ ঃ

২৭৫। মাননীয় কৃষি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরাক উপত্যকায় কৃষি বিশ্ববিদ্যালয় স্থাপনের সরকারের কোন পরিকল্পনা রয়েছে কি? থাকলে তার বাস্তবায়নে সরকার কি কি পদক্ষেপ গ্রহণ করেছে এখন পর্যন্ত?

(খ) বিগত দিনে বার বার আসাম কৃষি বিশ্ববিদ্যালয় থেকে করিমগঞ্জ জেলা প্রশাসন এর নিকট জমি মঞ্জুর করার জন্য অনুরোধ নির্দেশ দেওয়া সত্বেও এখন পর্যন্ত এই জমিৰ মঞ্জুর না হওয়ার কারণ কি?

(গ) বরাক উপত্যকায় কৃষি বিশ্ববিদ্যালয় স্থাপনের জন্য কতটুকু জমির প্রয়োজন বলে সরকার থেকে জেলা প্রশাসনের নিকট পত্র পাঠানো হয়েছে?

(ঘ) করিমগঞ্জের আকবরপুর, মালুয়া এবং আরও কয়েকটি পার্শ্ববর্তী অঞ্চল নিয়ে এই কৃষি বিশ্ববিদ্যালয় স্থাপন করার ব্যাপারে সরকার চিন্তাধারা করবে কি?

(ঙ) বরাক উপত্যকায় কৃষি বিশ্ববিদ্যালয় স্থাপন সংক্রান্ত যাবতীয় নথি সদনে উপস্থাপনের বিনীত অনুরোধ জানাই।

*বিষয় ঃ* **মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি আঁচনিৰ দ্বাৰা উপকৃত হোৱা লোকৰ তালিকা।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৭৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি আঁচনিৰ জৰিয়তে প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ত সৰুক্ষেত্ৰী সমষ্টিৰ কিমান কৃষক উপকৃত হ'ল? সেই তালিকা

বিতংকৈ দিব। যদি উপকৃত হোৱা নাই, কিয় হোৱা নাই কাৰণ জনাব আৰু কেতিয়া উপকৃত হ'ব সেই বিষয়ে জনাব।

*বিষয় ঃ* **Hospital নির্মাণ**

শ্রীদুর্গা ভূমিজ ঃ

২৭৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ ডুমডুমা সমষ্টিৰ অন্তর্গত টংনা গাঁৱত ০২-১০-২০১৭ চনতে মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ে এখন Mini P. H. C হাস্পতাল নির্মাণৰ বাবে আধাৰশিলা স্থাপন কৰিছিল যদিও আজিলৈকে সেই Mini P. H. C হাস্পতালখন আধাৰশিলা পর্য্যায়তেই আছে, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে টংনা Mini P. H. C হাস্পতালখন কেতিয়ালৈকে সম্পূর্ণকৈ নির্মাণ কৰি মুকলি কৰা হ'ব?

(গ) উক্ত হাস্পতালখনৰ পূর্ণাংগ ভৱন আজি পর্য্যন্ত সম্পূর্ণ নোহোৱাৰ কাৰণ কি?

(ঘ) একেদিনাই স্বাস্থ্য মন্ত্রী মহোদয়ে মুকলি সভাত কৰদৈগুৰিতো এখন হাস্পতাল নির্মাণ হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু আজিলৈকে তাত কোনো হাস্পতাল হোৱা নাই, কেতিয়ালৈ কৰদৈগুৰিত হাস্পতাল নির্মাণ হ'ব।

*বিষয় ঃ* **বি টি কলেজৰ সম্পর্কে**

শ্রীআবুল কালাম ৰশিদ আলম ঃ

২৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত কিমান চৰকাৰী আৰু বেচৰকাৰী বি টি কলেজ (B. T. College) আছে?

(খ) গোৱালপাৰা চৰকাৰী বি টি কলেজখন চলি আছেনে? যদি চলা নাই, কিয় আৰু এই কলেজখন কেতিয়াৰ পৰা চলিব? গোৱালপাৰা চৰকাৰী বি টি কলেজৰ শিক্ষক আৰু কর্মচাৰীৰ সংখ্যা কিমান? ইয়াত খালী হৈ থকা পদসমূহ কেতিয়া পূৰণ কৰা হ'ব?

(গ) মধ্যাহ্ন ভোজনৰ খাদ্যসমূহ কোন কোন বিদ্যালয়ত দিয়া হয়? এই খাদ্যসমূহ সময়মতে দিয়া হৈ আছেনে? খাদ্যসমূহ বিতৰণৰ দায়িত্ব কাক দিয়া হৈছে?

(ঘ) অসমৰ বিদ্যালয়সমূহত কিমান সংখ্যক মধ্যাহ্ন ভোজন আঁচনিৰ ৰান্ধনীয়ে কাম কৰি আছে? এই ৰান্ধনীসকল কিমান দিনৰপৰা নিয়োজিত হৈ আছে? ৰান্ধনীসকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা লৈছেনে? যদি লোৱা নাই, কিয় আৰু যদি লৈছে কিমান দিনৰ ভিতৰত কার্য্যকৰি কৰা হ'ব?

---

Assam Government Press 77/20-LAQ-750-16-03-2020